**DAINIK ASAM, Guwahati, September 7, 2011** *Charai Nathaka Pakkhi Abhyaranya*



# চৰাই নথকা পক্ষী অভয়াৰণ্য ?

গ্ৰীণ কলাম
পুলিন কলিতা

**ন-মাটি** মোকলোৱাৰ গ্ৰাণ্ট পোৱাৰ পিছত পিতৃ আৰু আন ছটামান পৰিয়ালৰ সৈতে যোগেন দাসহঁত যেতিয়া ধাই আলিৰ দাঁতিত উপস্থিত হৈছিল, অঞ্চলটো তেতিয়া ডাঠ বেতনি-জাৰণিৰে ভৰি আছিল। ঐতিহাসিক ধাই আলিৰ আনপাৰেদি বৈ গৈছিল ডিমৌ নৈ; তাৰ লগতে লাগি থকা সেইখন পাৰাপাৰহীন বিল। সেয়া ১৯৪২ চনৰ কথা; যোগেন দাসৰ বয়স তেতিয়া ১০ কি ১১ বছৰ। তেতিয়াৰেপৰা যোগেন দাসহঁত এই ঠাইতেই আছে — এই ৮০ বছৰ বয়সলৈকে। চৰগুৱা নামে জনাজাত গাওঁখনত এতিয়াৰ পৰিয়াল কমেও দুশটা; প্ৰথম অহা পৰিয়ালকেইটা বাঢ়িল; পিছতো আৰু ভালেমান পৰিয়াল আহিল। জনসংখ্যা বাঢ়িল, কিন্তু মাটি কমিল। গতিকেই জীৱিকাৰ কৃষিভিন্ন উপায়ৰ সন্ধান গাঁওবাসীয়ে কৰিবলগীয়া হ'ল। ইতিমধ্যে চৰগুৱাৰ ওচৰে-পাঁজৰে আৰু চাৰি-পাঁচখন গাঁও বহিল। সকলোৱেই সমুখত আবহমান কালৰপৰা বহি থকা বিলখনৰ ওপৰত নিৰ্ভৰ কৰিবলৈ ল'লে। এই বিলখনকেই আজিকালি জনা যায় পানীদিহিং পক্ষী অভয়াৰণ্য বুলি।

পানীদিহিং বুলি খ্যাত জলাতক অঞ্চলটোৰ পৰিধি বৰ বিশাল; প্ৰায় ৭০ বৰ্গ কিলোমিটাৰ। ইয়াৰে আধাতকৈও কম, ৩৩.৯৩ বৰ্গ কিলোমিটাৰ অঞ্চলক অসম চৰকাৰে পক্ষী অভয়াৰণ্য ঘোষণা কৰিছে। আগতেই সংৰক্ষিত ঘোষিত পানীদিহিং বনাঞ্চলৰ নামানুসৰি এই অভয়াৰণ্যখনৰ নামকৰণ কৰা হয়। সংৰক্ষণৰ আনুষ্ঠানিকতা আৰম্ভ হৈছিল ১৯৯৫ চনত; চূড়ান্ত অধিসূচনা হয় ১৯৯৯ চনত। নক'লেও হয় যে পানীদিহিং পক্ষী নিৰীক্ষকৰ ভূস্বৰ্গ। ইয়াত চিনাক্ত আৰু নথিভুক্ত কৰা পক্ষী প্ৰজাতিৰ সংখ্যা ১৬৫। ইয়াৰে ৬৯টা প্ৰজাতি পৰিভ্ৰমী; ৯৬টা স্থানীয়। অভয়াৰণ্যখনত সৰহকৈ পোৱা চৰাইবোৰ হ'ল পানীডুবি, দৈকলা, কৈলাঙী, পানীকাউৰী, মণিয়ৰী, আজান, কণামুচৰি, গোবগ, মাজুবগ, বৰবগ, তেতেৰী বগ, ৰাক চৰাই, ইটাগুৰীয়া, শামুকভঙা, কণুৱা তেলীয়াসাৰেং, হাড়গিলা, বৰটোকোলা, আকুহি বগ, ধৃতৰাজ, দেওৰাজহাঁহ, শৰালি, বৰশৰালি, চাকৈচকোৱা, দীঘলনেজী, বনৰীয়া পাতিহাঁহ, খন্তীয়াহাঁহ, চিলনী, গোধা চিলনী, কুৰুৱা, উকহ, শগুণ, হয়কলি, ডাউক, কামচৰাই, কোৰা, নল ঢেকৰ, ঢেকৰ, দলম'ৰা, দলপুঙা, কৰ্চন, বালিঘোঁৰা, গঙাচিলনী, ৰামপাৰ, কপৌ, হাইঠা, ভাটৌ, বতাহী, তেলটুপি, মাছৰোকা, শালিকা, এৰাখাতী, হেটুলুকা, বালিমাহী, টুনী ইত্যাদি। স্থানীয় যুৱক বাবুল দাসৰ প্ৰচেষ্টাত পানীদিহিঙৰ পক্ষী-প্ৰাচুৰ্য পক্ষীপ্ৰেমীৰ দৃষ্টিগোচৰ হয়; পিছলৈ উৎসাহী পক্ষী নিৰীক্ষক দীপ্তিমন্ত বৰুৱাই ইয়াৰ চৰাইৰ বিস্তৃত অধ্যয়ন কৰে। 'নেচাৰ্ছ বেকন' নামৰ প্ৰকৃতি সংস্থাটো এইবাৰ আগবাঢ়ি আহে আৰু এই সকলোৰে প্ৰচেষ্টাত পানীদিহিঙে অসমৰ তৃতীয়খন পক্ষী অভয়াৰণ্যৰ মৰ্যাদা লাভ কৰে।

পিছে প্ৰায় লগে লগেই অভয়াৰণ্যখনৰ সৈতে স্থানীয় লোকৰ সংঘাত আৰম্ভ হয়। বিশেষকৈ যি বৃহৎ জনসমষ্টিয়ে জলাশয়টোৰপৰা জীৱিকা উলিয়াইছিল, সেইসকলৰ সৈতে বনবিভাগ আৰু প্ৰকৃতি সুৰক্ষা কৰ্মীসকল এক নীৰৱ সংঘাতত অৱতীৰ্ণ হয়। অভয়াৰণ্য ঘোষণাৰ আগলৈকে পানীদিহিঙৰ মাছৰ এখন বৃহৎ বজাৰ চলি আছিল। এই জলাশয়টোৰ মাছেৰে শিৱসাগৰ নগৰৰ মাছৰ চাহিদা পূৰণ হৈছিলেই, আনকি চুবুৰীয়া নগৰকেইখনলৈকো ইয়াৰ মাছ গৈছিল। তাৰ পিছতো বৈ যোৱা মাছ শুকুৱাই চালান দিয়া হৈছিল জাগীৰোডলৈ। ডিমৌঘাটৰ ব্যৱসায়ী ৰেৱকান্ত দাসৰ মন্তব্যত এই সমৃদ্ধ 'নীল' অতীতৰ আভাস পাব পাৰি — 'তেতিয়া মাছৰ গোন্ধত ওকালি আহিবলগীয়া অৱস্থা। আপুনি এইদৰে থাকিবই নোৱাৰিলেহেঁতেন — নাকে-মুখে গামোচা বান্ধিব লাগিলহেঁতেন। এই ধাই আলিত ট্ৰাকৰ শাৰী হৈ যায়; মাছ ধৰা আৰু মাছ কিনা লোকৰ দলদোপ-হেন্দোলদোপ লাগে।' আনহাতে, পানীদিহিং এখন উন্নতমানৰ ঘাঁহনিও। বৈজ্ঞানিক দিশৰপৰা ইয়াৰ অৰণ্য জলাশয় কাষৰীয়া আৰু জলজ — দুই প্ৰকাৰৰ আৰু এইবোৰ উত্তম গোখাদ্য। গতিকেই ইয়াত গঢ়ি উঠিছিল ভালেমান গৰু-ম'হৰ খুঁটি — যি আছিল ভালেমান পৰিয়ালৰ জীৱিকা। অভয়াৰণ্য ঘোষণাৰ লগে লগে সংৰক্ষিত অঞ্চলত মাছ মৰা আৰু গৰু-ম'হৰ খুঁটি কৰা আনুষ্ঠানিকভাৱে বন্ধ হ'ল। দুয়োটা কামেই গোপনে চলি থাকিল; এই লৈ বনকৰ্মীৰ সৈতে গাঁওবাসীৰ সংঘাতো হ'ল। এনে এটা মুকলি সংঘাতৰ ঘটনা ঘটে ২০০২ চনৰ নৱেম্বৰ মাহত। সেই মাহটোৰ ১৭ কি ১৮ তাৰিখে 'অভয়াৰণ্যৰ ভিতৰত' থকা বুলি কোৱা কেইবাটাও গৰু-ম'হৰ খুঁটিৰ পশুধন বনকৰ্মীয়ে মুকলি কৰি দিয়াৰ উপৰি খুঁটিৰ ঘৰবোৰ জ্বলাই দিয়ে। ঘটনাটোত আশ্ৰয়হীন হৈ ঠাণ্ডা লাগি কেইবাটাও ম'হ পোৱালিৰ মৃত্যু হোৱাৰো অভিযোগ উঠে। এই সময়ছোৱাত বনকৰ্মীয়ে ভালেসংখ্যক মাছমৰা নাও আৰু জাল জব্দ কৰে; চৰাই চিকাৰীকো কৰায়ত্ত কৰে। অৱশ্যে ইমানতো বনবিভাগৰ সৈতে স্থানীয় লোকৰ সংঘাতৰ অন্ত নপৰিল; বৰং 'পক্ষী অভয়াৰণ্য নালাগে' বুলি ক'বলৈ ২০০৫ চনৰ ১৩ নৱেম্বৰত চৰগুৱা হাইস্কুলত ৰাজহুৱা সভা এখনহে অনুষ্ঠিত হ'ল!

**মুনীন্দ্ৰনাথ দাসৰ কথাৰে**

চৰগুৱা হাইস্কুলত ২০০৫ চনৰ ১৩ নৱেম্বৰত অনুষ্ঠিত এই ৰাজহুৱা সভাত বিশেষ তাৎপৰ্যপূৰ্ণ ভাষণ দিছিল মুনীন্দ্ৰনাথ দাস নামৰ এজন লোকে। চৰগুৱাৰ বাসিন্দা দাস পালেঙী মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক। সেই সভাত তেওঁ কৈছিল— 'এতিয়া ইয়াত পক্ষীৰ মাত শুনিবলৈ পোৱা নাযায়। পক্ষী থাকিবলৈ অভয়াৰণ্যখনত এতিয়া পানীৰ অভাৱ। কাৰণ, বিল-জলাশয় নহ'লে পানী ক'ত থাকিব? মানুহ থাকিলেহে পানী থাকিব আৰু পানী থাকিলেহে অভয়াৰণ্য থাকিব আৰু তেতিয়া অভয়াৰণ্যলৈ পক্ষী আহিব।' এইখন সভা অনুষ্ঠিত হোৱাৰ ছবছৰৰ পিছতো শিক্ষক দাসে নিজৰ স্থিতি সলনি কৰা নাই। আমাৰসৈতে হোৱা বাৰ্তালাপত (১৯-০৮-১১) ক'লে, মাছ মৰা বন্ধ কৰি দিয়াৰ পিছৰেপৰা বিলবোৰ বাম হৈ যাবলৈ ধৰিলে; ফলত অক্টোবৰ মাহমানত পানী শুকাই যায়। শুকান বিলততো মাছ নাথাকে; মাছেই যদি নাথাকিল চৰাই আহিব ক'ৰ পৰা?'

'আচলতে বন বিভাগে গাঁৱৰ মানুহবোৰক ঠগিলে।' — ক'লে হেমন্ত দাস নামৰ যুৱক এজনে। তেওঁৰ মতে, পক্ষী অভয়াৰণ্য ঘোষণাৰ আগে আগে বন বিভাগে গাঁৱৰ ৰাইজক লৈ চৰগুৱা হাইস্কুলত এখন সভা অনুষ্ঠিত কৰিছিল, য'ত মাছমৰীয়া আৰু গোপালকসকলক বিকল্প জীৱিকা প্ৰদানৰ আশ্বাস দিয়া হৈছিল। তেওঁৰ মতে, এনে আশ্বাসৰ আধাৰতে গাঁওবাসীয়ে জলাশয়ৰ অধিকাৰ চৰকাৰক এৰি দিয়াৰ প্ৰতিশ্ৰুতি দি স্বাক্ষৰ প্ৰদান কৰিছিল। কিন্তু চৰকাৰে সেই প্ৰতিশ্ৰুতি নাৰাখিলে। ফলত জীৱিকাৰ বাবেই মাছ মৰা আৰু গৰু-ম'হ চৰোৱা কাম গাঁৱৰ মানুহে চলাই থাকিল। এনে কৰোতে কেতিয়াবা কেতিয়াবা বন বিভাগৰ মানুহ হঠাতে ওলায়; নাও, জাল, গৰু-ম'হ জব্দ কৰে।

'অভয়াৰণ্য হোৱাৰপৰা চৰাইৰো লাভ হোৱা নাই, মানুহৰতো হোৱাই নাই। আকৌ মাছ মৰাৰ সুবিধা দিলে উভয়েই লাভৱান হ'ব। এতিয়া এইটোৱেই আমাৰ দাবী।' — ক'লে মুনীন্দ্ৰ নাথ দাসে।

'সেইটো অৱশ্যে হয়। মাছ মাৰি থাকোতে জংঘলো চাফ কৰা হৈ গৈছিল। ফলত বিল আৰু জানবোৰ মুকলি হৈ পৰিছিল। সেইবোৰতে আহি জাকে জাকে চৰাই পৰিছিল।' — মন্তব্যটো শৈশৱৰেপৰা বিলখন দেখি অহা যোগেন দাসৰ। তেওঁ এসময়ত ইয়াত মাছৰ মহলো চলাইছিল। 'মাছৰ মহল লৈ চৰকাৰকো খাজনা দিছিলোঁ, নিজেও ভালকৈ চলিছিলোঁ। অভয়াৰণ্য ঘোষণাৰ পিছত দুয়োটাৰে মুদা মৰিল। ইফালে চৰায়ো নাইকিয়া হ'ল।' — ক'লে দাসে। অভয়াৰণ্যখনত চৰাই কমা বুলি ক'লে ডিমৌঘাটৰ ব্যৱসায়ী ৰেৱকান্ত দাসেও। 'চৰাই চাবলৈ আহি অসন্তুষ্টিৰে মোৰ দোকানৰ সন্মুখতে গাড়ী ঘূৰাই নিয়ে পৰ্যটকে' — ক'লে দাসে। বিলত জংঘল পৰাৰে পৰা মাছ আৰু তাৰ লগে লগে চৰাই নাইকিয়া হ'ল বুলি ক'ব খোজে এই ক্ষুদ্ৰ ব্যৱসায়ীজনে।

## নেচাৰ্ছ বেকনৰ প্ৰতিবাদ

এই 'লাভ নোহোৱা' কথাষাৰত আপত্তি আছে নেচাৰ্ছ বেকনৰ। পানীদিহিঙক এই নামেৰে পক্ষী অভয়াৰণ্য কৰোৱাৰ বাবে এসময়ত যথেষ্ট পৰিশ্ৰম কৰিছিল প্ৰকৃতি সংস্থাটোৱে। ইয়াৰ সঞ্চালক সৌম্যদ্বীপ দত্তৰ প্ৰতিক্ৰিয়া— 'বন্যপ্ৰাণীৰ বাবে সংৰক্ষণ কৰা হৈছে পানীদিহিং; মানুহৰ বাবে কৰা হোৱা নাই। ইয়াত তেওঁলোকৰ লাভ হ'ব লাগে কিয়?' দত্তই অৱশ্যে লগে লগেই কয় যে অভয়াৰণ্যখনৰ পৰা লাভ আদায়ৰ যথেষ্ট সুযোগ স্থানীয় লোকৰ আছে — উলিয়াই ল'ব জানিলেই হ'ল। তেওঁৰ মতে, গাঁওবাসীয়ে চৰাইক সুৰক্ষা দিয়ক; মাছ মৰা আৰু গৰু-ম'হ চৰোৱা সম্পূৰ্ণ বন্ধ কৰক; ইকো টুৰিজমৰ ব্যৱস্থা গঢ়ি তোলক!

## বন বিভাগৰ মন্তব্য

শিৱসাগৰ কাৰ্যালয়ৰ খণ্ড বন বিষয়া ৰঞ্জন কুমাৰ দাসৰ স্থিতি অৱশ্যে কিছু নমনীয়। ইকো-টুৰিজমৰ বৃহৎ সম্ভাৱনা পানীদিহিং পক্ষী অভয়াৰণ্যই বহন কৰিছে, এই মত বন বিষয়াগৰাকীৰো। পিছে তেওঁ কয় যে স্থানীয় লোকৰ সৈতে সংঘাত সৃষ্টি কৰি পক্ষীক অভয়াৰণ্যত সুৰক্ষা দিব পৰা নাযাব। 'আচলতে স্থানীয় লোকক লগত লৈহে এই কাম কৰিব পৰা যাব। বিলখনে তেওঁলোকক পৰম্পৰাগতভাৱে জীৱিকা দি আহিছিল; সেই জীৱিকা তেওঁলোকৰ পৰা কাঢ়ি অনা হ'ল। এতিয়া তেওঁলোকক বিকল্প জীৱিকা দিব লাগিব।' ১৯৯৮-৯৯ চনতে বন বিভাগে গাঁওবাসীক এনে প্ৰতিশ্ৰুতি দি পূৰণ নকৰাৰ প্ৰসংগ উত্থাপন কৰাত বিষয়াজনে ক'লে— অতীতত কি হৈছিল মই নাজানো। অৱশ্যে হয়, কিছুমান কাম তেতিয়াই কৰিব লাগিছিল। কৰা নহ'ল যেতিয়া উপায়তো নাই; আমিয়েই আৰম্ভ কৰিম।' স্থানীয় লোকক সহায় কৰিবলৈ কেইবাখনো আঁচনি লোৱাৰ কথা জনালে তেওঁ। গাঁওবাসীক লৈ 'অৰ্থনৈতিক উন্নয়ন সমিতি' গঠন কৰি তেনে সমিতিক অভয়াৰণ্যৰ বাহিৰত পুখুৰী খান্দি মাছ পোহাৰ ব্যৱস্থা কৰি দিয়া আৰু গো-পালকসকলক উন্নত জাতৰ গাই গৰু যোগান ধৰাৰ কথা ক'লে তেওঁ। 'অৱশ্যে এইবোৰ পৰিকল্পনাহে। চৰকাৰৰ পৰা ধন মঞ্জুৰ হ'লেহে এই কাম ৰূপায়ণৰ কথা ভাবিব পৰা যাব।'

দেখা গৈছে, ৰাজ্যখনৰ প্ৰতিখন সংৰক্ষিত প্ৰাকৃতিক ক্ষেত্ৰয়েই সম্প্ৰতি সংঘাতক্ষেত্ৰ হৈ পৰিছে। পানীদিহিং পক্ষী অভয়াৰণ্যও তাৰে ভিতৰৰ এখন।

*(চেণ্টাৰ ফৰ ছায়েন্স এণ্ড এনভাইৰণমেণ্ট প্ৰদত্ত ফেলোশ্বিপৰ অধীনত ৰচিত)*

লেখকৰ ফোন ঃ +৯১ ৯৮৬৪২-৯৬১৩১
e-mail : pulalkal@yahoo.com



*ছবি ঃ তপন কুমাৰ বৰা*